নিশ্চয় ইনচাফকাৰীসকল আল্লাহৰ ওচৰত নূৰৰ মিম্বৰৰ ওপৰত থাকিব। সৰ্বশক্তিমান দয়াময় আল্লাহৰ সোঁফালে অৱস্থান কৰিব। আল্লাহৰ দুয়ো হাতেই হৈছে সোঁ হাত।

আব্দুল্লাহ ইবনু আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় ইনচাফকাৰীসকল আল্লাহৰ ওচৰত নূৰৰ
মিম্বৰৰ ওপৰত থাকিব। সৰ্বশক্তিমান দয়াময় আল্লাহৰ সোঁফালে অৱস্থান কৰিব। আল্লাহৰ দুয়ো হাতেই হৈছে সোঁ হাত। যিসকলে নিজৰ পৰিয়াল আৰু অধীনস্থ লোকসকলৰ মাজত ন্যায়
তথা ইনচাফ আৰু সততাৰ সৈতে শাসনকাৰ্য পৰিচালনা কৰিছিল।
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিসকলে মানুহৰ মাজত অৰ্থাৎ নিজৰ অধীনস্থ লোকসকল আৰু পৰিয়ালবৰ্গৰ মাজত ন্যায়নীতিৰে ফয়চালা কৰে, তেওঁলোকে কিয়ামতৰ দিনা সসন্মানে সুউচ্চ আসনত বহিব, যি আসনসমূহ নূৰৰ দ্বাৰা নিৰ্মিত। এই আসনবোৰ অসীম দয়ালু মহান আল্লাহৰ সোঁফালে থাকিব। মহান আল্লাহৰ দুয়ো হাতেই হৈছে সোঁ হাত।

http://www.sunnah.global/hadeeth/as/show/4935